# অসম বিধান সভা

**মৌখিক প্ৰশ্ন নং : ১৮৯**

উত্তৰ দিয়াৰ তাৰিখ – ২৩/০৭/২০২৬

**বিষয়ঃ পাঁচগ্রাম পেপার মিলের জায়গা Encroachment ও Industrial Hub সম্পর্কিত।**

**সদস্যৰ নামঃ শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ**

**১৮৯ ।** মাননীয় উদ্যোগ, বাণিজ্য ও রাজহুয়া প্রতিষ্ঠান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) পাঁচগ্রাম পেপার মিলের মোট কতটুকু জায়গা আছে? এর মধ্যে কতটুকু জায়গা Encroachment করা আছে এবং এই Encroachment বাকি জায়গাকে দখলমুক্ত করার জন্য সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহলে কবে নাগাদ করা হবে তাহা সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(খ) উক্ত মিলের পরিত্যক্ত জমিতে Industrial Hub এ শিল্প প্রতিষ্ঠা কবে হইবে তার নাম ও তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(গ) বরাকের Industrial Sector উন্নয়নের জন্য বরাকের সমগ্র Industrial Sector কে নিয়ে একটি Industrial Conclave করার কোনো পদক্ষেপ সরকার গ্রহণ করবেন কি? যদি করেন তাহলে Panchgram এ এই Conclave করার ব্যবস্থা করলে বরাক উপত্যকার Industrial Sector ক্ষেত্রে অনেক উন্নতি হবে এই এলাকায় বেকার সমস্যার সমাধানে যথেষ্ট সহায়তা করবে। তাই এই ব্যাপারে সরকার কি ধরণের পরিকল্পনা গ্রহণ করবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(ঘ) ওই Industrial Hub এ শিল্প প্রতিষ্ঠা হইলে কতজন বেকার যুবক-যুবতীর কর্মসংস্থাপন হইবে তাহার সংখ্যা ও তথ্য সদনে প্রদানের অনুরোধ জানাই।

**উত্তৰঃ**

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ**

**(ক)** ৰাজ্য চৰকাৰে HPCL (লিকুইডেটেড)-ৰ সম্পত্তি অধিগ্ৰহণ কৰাৰ পিছত অসম ঔদ্যোগিক উন্নয়ন নিগমে (AIDC) অসম চৰকাৰৰ হৈ মুঠ ২,৯১৬ বিঘা মাটিৰ দখল গ্ৰহণ কৰিছে। মুঠ ভূমিখণ্ডৰ ভিতৰত প্ৰায় ৮% ভূমি ৰাজ্য চৰকাৰে AIDC-ৰ জৰিয়তে পঞ্চগ্ৰামস্থিত পূৰ্বৰ HPCL-ৰ ভূমি আৰু সম্পত্তি দখল কৰাৰ পূৰ্বেই বেদখল হৈ আছিল। ইয়াৰ পিছত AIDC-এ অধিক বেদখল ৰোধ কৰাৰ উদ্দেশ্যে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, মুঠ বেদখল হোৱা ভূমিৰ প্ৰায় ৬০% অংশ সেইসকল কথিত ভূমি হেৰুৱা পৰিয়ালৰ দখলত আছে, যিসকলে পূৰ্বৰ HPCL নিৰ্মাণৰ সময়ত নিজৰ ভূমি আৰু বাসগৃহ হেৰুৱাৰ অভিযোগ উত্থাপন কৰিছে।

**(খ)** পঞ্চগ্ৰামত এক ঔদ্যোগিক হাব গঢ়ি তোলাৰ উদ্দেশ্যে অসম ঔদ্যোগিক উন্নয়ন নিগমে (AIDC) পূৰ্বৰ কাছাৰ পেপাৰ মিল (CPM)-ৰ ভূমিত এক বৃহৎ ঔদ্যোগিক এলেকা স্থাপনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। পঞ্চগ্ৰামস্থিত নতুন ঔদ্যোগিক এলেকাত উদ্যোগ স্থাপনৰ বাবে ভূমি আৱণ্টনৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। আৱণ্টনৰ সবিশেষ তথ্য হ'ল –

১. ২০২৪ চনৰ ৩ মে' তাৰিখে ১৩৬.১২৫ বিঘা সমতল ভূমি নুমলীগড় ৰিফাইনেৰী লিমিটেড (NRL)-ক “Rail Fed Petroleum Products Terminal” স্থাপনৰ বাবে আৱণ্টন কৰা হৈছে।

প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ হৈছে আৰু সন্তোষজনকভাৱে আগবাঢ়ি আছে। এই প্ৰকল্পত প্ৰায় ₹২০৫ কোটি টকাৰ বিনিয়োগ হ'ব। প্ৰকল্পটো কাৰ্যক্ষম হোৱাৰ পিছত ৩০০-ৰ অধিক লোকৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হোৱাৰ লগতে বৃহৎ পৰিমাণৰ পেট্ৰ'লিয়াম সামগ্ৰী সংৰক্ষণৰ সুবিধা গঢ়ি উঠিব। ইয়াৰ জৰিয়তে বৰাক উপত্যকা, পাৰ্শ্ববৰ্তী ৰাজ্যসমূহ আৰু বাংলাদেশলৈ পেট্ৰ'লিয়াম সামগ্ৰী যোগান দিয়াটো সহজ হ'ব আৰু অঞ্চলটোৰ শক্তি নিৰাপত্তা (Energy Security) অধিক সুদৃঢ় হ'ব।

২. পূৰ্বৰ কাছাৰ পেপাৰ মিলৰ প্ৰায় ১০০ একৰ (প্ৰায় ৩০০ বিঘা) ভূমিত এক মাল্টিম'ডেল লজিষ্টিক্স পাৰ্ক (MMLP) স্থাপনৰ পৰিকল্পনা কৰা হৈছে। এই প্ৰকল্পত ৰে'ল, পথ আৰু অভ্যন্তৰীণ জলপথ সংযোগ অন্তৰ্ভুক্ত থাকিব, যাৰ ফলত পঞ্চগ্ৰাম এক লজিষ্টিক্স হাব হিচাপে গঢ়ি উঠিব। ইয়াৰ জৰিয়তে স্থানীয় উদ্যোগী আৰু কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী বিতৰণ আৰু ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ সুবিধা লাভ কৰিব। প্ৰস্তাৱিত MMLP-ত গুৱাহাটী-শিলচৰ ৰে'লপথত EXIM আৰু দেশীয় কণ্টেইনাৰাইজড কাৰ্গ' পৰিচালনাৰ সুবিধা থাকিব। ইয়াত নিম্নোক্ত বিশ্বমানৰ সুবিধাসমূহ অন্তৰ্ভুক্ত থাকিবঃ

(ক) পূৰ্ণ দৈৰ্ঘ্যৰ ৰে'ল ছাইডিং, যাতে পোনপটীয়া ৰে'ল চলাচল নিশ্চিত কৰিব পৰা যায়।
(খ) ডমেষ্টিক আৰু ট্ৰানজিট বণ্ডেড গুদামঘৰ, ক'ল্ড ষ্ট'ৰেজ আদি।
(গ) কৃষিজাত নষ্টপ্ৰৱণ সামগ্ৰী দক্ষতাৰে পৰিবহণৰ বাবে Perishable Cargo Centre৷
(ঘ) কণ্টেইনাৰ আৰু কাৰ্গ' সংৰক্ষণ আৰু পৰিচালনাৰ বাবে উন্মুক্ত য়াৰ্ড।
(ঙ) শুল্ক (Customs) আৰু ৰে'ল বিভাগৰ বিষয়াসকলৰ বাবে সুকীয়া কাৰ্যালয়সহ প্ৰশাসনিক ভৱন।
(চ) হেণ্ডলিং সঁজুলি, ট্ৰেইলাৰ আৰু ট্ৰাকৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণৰ সুবিধা।
(ছ) ক্ষতিগ্ৰস্ত কণ্টেইনাৰ মেৰামতিৰ সুবিধা।
(জ) ৰপ্তানিকাৰক, আমদানিকাৰক, ব্যৱসায়িক অংশীদাৰ, পৰিবহণকাৰী, Freight Forwarder, Shipping Line আৰু অন্যান্য অংশীদাৰসকলৰ বাবে কেণ্টিন, অপেক্ষালয়, সভাকক্ষ আৰু শৌচাগাৰ আদি সুবিধা।

এই প্ৰকল্পৰ জৰিয়তে প্ৰায় ২,০০০-২,৫০০ জন লোকৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হোৱাৰ লগতে অঞ্চলটোলৈ ব্যক্তিগত খণ্ডৰ বিনিয়োগ আকৰ্ষিত হ'ব।

৩. MSME Technology Centre-ৰ বাবে ৬০.৫০ বিঘা ভূমি আৱণ্টন কৰা হৈছে আৰু উক্ত ভূমিত এক টেকন'লজি চেণ্টাৰ স্থাপনৰ প্ৰক্ৰিয়া চলি আছে। এই কেন্দ্ৰৰ মূল উদ্দেশ্য হৈছে বিশেষকৈ MSME উদ্যোগসমূহক আধুনিক উৎপাদন প্ৰযুক্তিৰ সুবিধা প্ৰদান কৰা, যুৱসমাজৰ কাৰিকৰী দক্ষতা বিকাশ আৰু উন্নয়নৰ সুযোগ সৃষ্টি কৰা, আৰু MSME উদ্যোগসমূহক কাৰিকৰী আৰু ব্যৱসায়িক পৰামৰ্শ প্ৰদান কৰা। উদ্যোগৰ প্ৰয়োজনীয়তা অনুসৰি বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে নিয়োগোপযোগী দক্ষ জনশক্তি সৃষ্টি কৰাত এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ভাৰত চৰকাৰে এই কেন্দ্ৰৰ ভৱন, যন্ত্ৰপাতি আদি নিৰ্মাণ আৰু পৰিচালনাৰ বাবে প্ৰায় ₹২০০ কোটি টকা বিনিয়োগ কৰিব।

৪. Buildx Investment Private Limited-এ পূৰ্বৰ কাছাৰ পেপাৰ মিলৰ ভূমিত ১.৫ MTPA ক্ষমতাসম্পন্ন এটা চিমেণ্ট গ্ৰাইণ্ডিং ইউনিট স্থাপনৰ প্ৰস্তাৱ দাখিল কৰিছে। এই প্ৰকল্পৰ বাবে ১৫০ বিঘা ভূমি সংৰক্ষিত কৰি ৰখা হৈছে।

৫. Bharat Petroleum Corporation Limited (BPCL)-এ পূৰ্বৰ কাছাৰ পেপাৰ মিলৰ টাউনশ্বিপ এলেকাত প্ৰায় ২০ একৰ (প্ৰায় ৬০ বিঘা) ভূমিত এটা LPG Bottling Plant স্থাপনৰ প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰকল্পই কৰ্মসংস্থান সৃষ্টি, কৰ ৰাজহ বৃদ্ধি আৰু পৰিবহণ, গেছ চিলিণ্ডাৰ

নিৰ্মাণ আদি সংশ্লিষ্ট উদ্যোগৰ বিকাশৰ জৰিয়তে অঞ্চলটোৰ অৰ্থনীতিক অধিক শক্তিশালী কৰিব। প্ৰকল্পটো কাৰ্যক্ষম হোৱাৰ পিছত সাধাৰণ জনতাক নিৰ্ভৰযোগ্য আৰু সুলভ মূল্যত ৰন্ধন গেছ যোগান ধৰিব, স্থানীয় ব্যৱসায় আৰু উদ্যোগসমূহক সহায় কৰিব আৰু অঞ্চলটোৰ ইন্ধন যোগান ব্যৱস্থাক অধিক সুৰক্ষিত কৰি তুলিব।

৬. অসম ঔদ্যোগিক উন্নয়ন নিগমে (AIDC) ONGC-ক তেল আৰু গেছ অনুসন্ধানমূলক ড্ৰিলিং কাৰ্যৰ বাবে **১২.২৬** বিঘা ভূমি আৱণ্টন কৰিছে। এই অনুসন্ধান সফল হ'লে বৰাক উপত্যকাক এক শক্তি হাব হিচাপে গঢ়ি তোলাৰ সম্ভাৱনা সৃষ্টি হ'ব আৰু ইয়াৰ ফলত বহুতো আনুষংগিক উদ্যোগ আৰু নিম্নধাৰাৰ উদ্যোগ (Downstream Industry) স্থাপনৰ পথ মুকলি হ'ব।

উল্লেখযোগ্য যে, ভৱিষ্যতেও উদ্যোগপতি আৰু বিনিয়োগকাৰীসকলৰ পৰা চাহিদা লাভ হোৱাৰ লগে লগে অসম ঔদ্যোগিক উন্নয়ন নিগমে (AIDC) পৰ্যায়ক্ৰমে ভূমি আৱণ্টন অব্যাহত ৰাখিব, যাতে পঞ্চগ্ৰামত এক সুসংহত ঔদ্যোগিক পৰিৱেশ গঢ়ি উঠে আৰু ইয়াৰ জৰিয়তে অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়ন অধিক ত্বৰান্বিত হয়।

**(গ)** বৰাকত Industrial Conclave এই মুহূৰ্তত কৰাৰ কোনো পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই যদিও আগন্তুক সময়ত প্ৰয়োজন সাপেক্ষে তেনেকুৱা Conclave কৰা হ’ব পাৰে আৰু এই ক্ষেত্ৰত পঞ্চগ্ৰামৰ কথা চিন্তা কৰা হ’ব।

**(ঘ)** ওপৰত উল্লেখ কৰা, যিসমূহ উদ্যোগক ভূমি আৱণ্টন কৰা হৈছে আৰু যিসমূহ উদ্যোগে পঞ্চগ্ৰাম ঔদ্যোগিক হাবত ভূমি আৱণ্টনৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে, সেই সকলো উদ্যোগে সফলতাৰে নিজৰ উদ্যোগ স্থাপন কৰিলে প্ৰায় ৩,০০০ জন লোকে তাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিব।

**********